শুনা! তুমি আহলে কিতাবসকলৰ ওচৰলৈ অৰ্থাৎ ইয়াহুদী আৰু খৃষ্টানসকলৰ ওচৰলৈ গৈ আছা। গতিকে তুমি সিহঁতৰ ওচৰলৈ যোৱাৰ পিছত সিহঁতক প্ৰথমে এই কথাৰ সাক্ষ্য প্ৰদান কৰিবলৈ আহ্বান কৰিবা যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ প্ৰেৰিত ৰাছুল।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মুআজ ৰাদ্বিয়াল্লাহু আনহুক য়ামানলৈ প্ৰেৰণ কৰিছিল তেতিয়া তেওঁক কৈছিলঃ শুনা! তুমি আহলে কিতাবসকলৰ ওচৰলৈ অৰ্থাৎ ইয়াহুদী আৰু খৃষ্টানসকলৰ
ওচৰলৈ গৈ আছা। গতিকে তুমি সিহঁতৰ ওচৰলৈ যোৱাৰ পিছত সিহঁতক প্ৰথমে এই কথাৰ সাক্ষ্য প্ৰদান কৰিবলৈ আহ্বান কৰিবা যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ প্ৰেৰিত ৰাছুল। যদি সিহঁতে তোমাৰ এই কথা মানি লয় তেন্তে তুমি সিহঁতক জনাই দিবা যে, আল্লাহে সিহঁতৰ ওপৰত দিনে ৰাতি পাঁচ ওৱাক্ত নামাজ ফৰজ কৰিছে। তোমাৰ এই কথাও যদি সিহঁতে মানি লয় তেন্তে তুমি সিহঁতক জনাই দিবা যে, আল্লাহে সিহঁতৰ সম্পদত জাকাত ফৰজ কৰিছে, যিটো সিহঁতৰ মাজৰ ধনীসকলৰ পৰা সংগ্ৰহ কৰি দুখীয়াসকলৰ মাজত বিতৰণ কৰা হ'ব। এইটোও যদি সিহঁতে মানি লয় তেন্তে সাৱধান! সিহঁতৰ উত্তম সম্পদ লোৱাৰ পৰা বিৰত থাকিবা। তথা তুমি নিজকে
নিৰ্যাতিত লোকৰ অভিশাপৰ পৰা আঁতৰাই ৰাখিবা, কিয়নো সিহঁতৰ প্ৰাৰ্থনা আৰু আল্লাহৰ মাজত কোনো ধৰণৰ প্ৰতিবন্ধকতা নাথাকে। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মুআজ বিন জাবাল ৰাদ্বিয়াল্লাহু আনহুক আল্লাহৰ প্ৰতি আহ্বানকাৰী হিচাপে তথা শিক্ষক হিচাপে য়ামানলৈ প্ৰেৰণ কৰিছিল, তেতিয়া তেখেতে তেওঁক এই কথা বৰ্ণনা কৰিছিল যে, তেওঁ খৃষ্টান সংখ্যাগৰিষ্ঠ ঠাইলৈ গৈ আছে, সেয়ে তেওঁ আগতীয়াকৈ তাৰ বাবে প্ৰস্তুতি লোৱা উচিত। তেওঁ সিহঁতক আহ্বান কৰাৰ ক্ষেত্ৰত যেন অধিক গুৰুত্বপূৰ্ণ বিষয়ক অগ্ৰাধিকাৰ দিয়ে। গতিকে প্ৰথমেই সিহঁতক আক্বীদাহ সংশোধন কৰিবলৈ আহ্বান কৰা উচিত। সেয়ে সিহঁতে যেন এই কথাৰ সাক্ষ্য দিয়ে যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ ৰাছুল। কাৰণ ইয়াৰ দ্বাৰাইহে সিহঁতে ইছলামত প্ৰৱেশ কৰিব পাৰিব। যেতিয়া সিহঁতে এইটো মানি লব, তেতিয়া সিহঁতক নামাজ প্ৰতিষ্ঠা কৰিবলৈ আদেশ দিবা, কিয়নো তাওহীদৰ পিছত এইটোৱে হৈছে আটাইতকৈ ডাঙৰ ওৱাজিব বিষয়। যেতিয়া সিহঁতে নামাজ প্ৰতিষ্ঠা কৰিব, তেতিয়া সিহঁতৰ মাজৰ ধনীসকলক সিহঁতৰ ধন-সম্পদৰ জাকাত আদায় কৰিবলৈ নিৰ্দেশ দিবা, সিহঁতে যেন সেয়া দুখীয়া- দৰিদ্ৰসকলৰ মাজত বিলাই দিয়ে। ইয়াৰ পিছত তেখেতে তেওঁক উৎকৃষ্ট সম্পদ বাচি লবলৈ সতৰ্ক কৰিছে। কিয়নো অনিবাৰ্য হৈছে মধ্যম পন্থা। ইয়াৰ পিছত তেওঁক অন্যায়ৰ পৰা আঁতৰি থাকিবলৈ উপদেশ দিছে, যাতে তেওঁৰ বিৰুদ্ধে কোনো নিৰ্যাতিত ব্যক্তিয়ে বদ্দুআ নকৰে। কিয়নো নিৰ্যাতিত ব্যক্তিৰ দুআ নিশ্চিতভাৱে গ্ৰহণযোগ্য।

